**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 28-06-2025 **Time :** 0900Hrs.

## Assamese Morning Bulletin
## Headlines

১।　দেশৰ খনি আৰু শক্তি খণ্ডৰ বিকাশত উত্তৰ-পূৰ্বাঞ্চলৰ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণৰ সম্ভাৱনা আছে বুলি কেন্দ্ৰীয় মন্ত্ৰী জি কিষাণ ৰেড্ডীৰ প্ৰকাশ।

২।　মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ত ১১ খন জিলাৰ নগৰাঞ্চলৰ ৯৪২ টা আন্তঃগাঁথনি প্ৰকল্পৰ বাবে চৰকাৰী ভূমি আবণ্টনত অসম মন্ত্ৰীসভাৰ অনুমোদন।

৩।　ৰাজ্যত জাপানীজ এনচেফেলাইচিছ্ ৰোগৰ প্ৰাদুৰ্ভাৱ। ৫ জন লোকৰ মৃত্যু।

৪।　শিৱসাগৰ জিলাৰ ভটিয়াপাৰৰ তৈল খাদৰ গেছ নিৰ্গমনৰ বিভীষিকাময় পৰিস্থিতিৰ অন্ত পৰাত অঞ্চলটোৰ ৰাইজৰ স্বস্তিৰ নিশ্বাস।

*আৰু*

৫।　নটিংহামৰ ট্ৰেণ্ট ব্ৰিজত আজি ভাৰত আৰু ইংলেণ্ডৰ মাজত মহিলাৰ পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলা আৰম্ভ।

০০০০০০০

কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ খনি খণ্ডৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ আহ্বান জনাইছে। তেওঁ কয়, যে এই খণ্ডত লুকাই থকা খনিজ সম্পদ অন্বেষণৰ বাবে কেন্দ্ৰই সক্ৰিয়ভাৱে সহযোগিতা আগবঢ়াব। গুৱাহাটীত আয়োজিত দ্বিতীয় উত্তৰ-পূব ভূতত্ব আৰু খনি মন্ত্ৰীসকলৰ সন্মিলনত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে দেশৰ খনি আৰু শক্তি খণ্ডৰ বিকাশত উত্তৰ-পূৰ্বাঞ্চলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণৰ সম্ভাৱনা আছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ বাবে ৰাজ্য ভিত্তিক খনি পৰিকল্পনা ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে বুলিও শ্ৰী ৰেড্ডীয়ে প্ৰকাশ কৰে।

সন্মিলনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে খনি আৰু খনিজাত পদাৰ্থ সঠিকভাৱে অন্বেষণৰ জৰিয়তে অসমৰ অৰ্থনীতি শক্তিশালী কৰাৰ দিশত ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। ড° শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নীতিগত হস্তক্ষেপৰ বাবেই উত্তৰ-পূৰ্বাঞ্চলত দীৰ্ঘদিন ধৰি বন্ধ হৈ থকা কয়লা ক্ষেত্ৰসমূহ মুকলি হ'ল আৰু বৰ্তমান ইয়াৰ সুফল লাভ কৰা হৈছে বুলি মন্তব্য কৰে। তেওঁ কয়, যে খনিজ সম্পদ আহৰণৰ জৰিয়তে আদায় হোৱা ৰাজহৰ জৰিয়তে প্ৰতিখন ৰাজ্য উপকৃত হ'ব।

অসমত প্ৰস্তাৱিত তিনি হাজাৰ ৪০০ মেগাৱাট তাপবিদ্যুৎ প্ৰকল্পৰ বাবে কেন্দ্ৰীয় চৰকাৰে কয়লা যোগান ধৰাৰ আশ্বাস দিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। কালিৰ অনুষ্ঠানত উত্তৰ-পূৰ্বাঞ্চলৰ ভূ-তাত্বিক সম্ভাৱনীয়তা বিষয়ক ৰূপৰেখা পত্ৰও উদ্বোধন কৰা হয়। দুদিনীয়া এই সন্মিলনত কয়লা আৰু খনি বিভাগৰ ৰাজ্য মন্ত্ৰী সতীশ চন্দ্ৰ ডুবে তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ খনিমন্ত্ৰীসকলে অংশগ্ৰহণ কৰে।

০০০০০০০

অসম মন্ত্ৰীসভাই মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ১১ খন জিলাৰ নগৰাঞ্চলত ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ ৯৪২ টা আন্তঃগাঁথনি প্ৰকল্পৰ বাবে চৰকাৰী ভূমি আবণ্টনত অনুমোদন জনাইছে। মন্ত্ৰীসভাই

লগতে এই আঁচনিৰ অধীনত ১২ খন জিলাত এহেজাৰ ৯৭৭ টা বেচৰকাৰী শৈক্ষিক, ধৰ্মীয় আৰু সামাজিক-সাংস্কৃতিক প্ৰতিষ্ঠানলৈ চৰকাৰী ভূমি আবণ্টনত অনুমোদন জনাইছে। এই বৈঠকতে ৰাজ্য চৰকাৰে প্ৰাপ্তবয়স্ক লোকক আধাৰ কাৰ্ড প্ৰদানৰ ক্ষেত্ৰত থকা নিয়মাৱলী অধিক কঠোৰ কৰি তোলাৰ সিদ্ধান্ত লয়। এই অনুসৰি ১৮ বছৰৰ উৰ্ধৰ আধাৰৰ বাবে আবেদন কৰা লোকৰ তথ্যপাতিসমূহ অতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰা হ'ব আৰু জিলা আয়ুক্তইহে তেওঁলোকক আধাৰ কাৰ্ড প্ৰদান কৰিব।

মন্ত্ৰীসভাই অসম পঞ্চায়ত সংবিধান বিধি ১৯৯৫ৰ কেতবোৰ দফা সংশোধনতো অনুমোদন জনায়। এই অনুসৰি এতিয়াৰে পৰা জিলা পৰিষদৰ সভাপতি আৰু উপ-সভাপতিৰ নিৰ্বাচন প্ৰক্ৰিয়া লটাৰীৰ জৰিয়তে সম্পন্ন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইপিনে, মৰাণ আৰু মটক স্বায়ত্ব পৰিষদৰ নিৰ্বাচনত কেৱল মৰাণ আৰু মটক সম্প্ৰদায়ৰ লোককহে ভোটদানৰ অধিকাৰ প্ৰদানৰ বিষয়টোতো মন্ত্ৰীসভাই অনুমোদন জনায়। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম লোকসেৱা আয়োগৰ পৰীক্ষাত অনিয়ম সংঘটিত কৰি চাকৰি লাভ কৰা ৰাজপত্ৰিত বিষয়াই চাকৰি ঘূৰাই পোৱা সন্দৰ্ভতো গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তেওঁ কয়, যে উচ্চ ন্যায়ালয়ে এনে বিষয়াসকলক চাকৰি ঘূৰাই দিবলৈ পোনপটীয়াকৈ উল্লেখ কৰা নাই। ইয়াৰ পৰিৱৰ্তে চাকৰি বৰ্খাস্তকৰণ পদ্ধতি সলনি কৰিবলৈহে ন্যায়ালয়ে নিৰ্দেশ দিছে বুলি তেওঁ প্ৰকাশ কৰে।

বাইট-চি এম

0000000

ৰাজ্যত জাপানীজ এনচেফেলাইচিছ ৰোগত মৃত্যু হোৱা লোকৰ সংখ্যা ৫ লৈ বৃদ্ধি পাইছে। কামৰূপ জিলাত এই ৰোগত ১৩ গৰাকী লোক আক্ৰান্ত হৈছে। কালি নিশা হাজো অঞ্চলত কল্পনা ডেকা নামৰ ৫০ বছৰীয়া এগৰাকী মহিলাৰ এই ৰোগত মৃত্যু হোৱাকে ধৰি মুঠ তিনিগৰাকী লোকৰ মৃত্যু হৈছে। জিলাখনৰ বাইহাটা, ৰঙিয়া, হাজো অঞ্চলত এই ৰোগ প্ৰতিৰোধৰ বাবে কামৰূপ জিলা মেলেৰিয়া বিভাগৰ তৰফৰ পৰা তৎপৰতা গ্ৰহণ কৰিছে। বৰ্তমান জিলাখনৰ একাধিক স্থানত মেলেৰিয়া ৰোগ প্ৰতিৰোধৰ বাবে সজাগতা শিবিৰৰ আয়োজন কৰাৰ লগতে প্ৰায় ২০ হাজাৰ ঔষধযুক্ত আঁঠুৱা বিতৰণ কৰা হৈছে। বকো, ছয়গাঁও, গৰৈমাৰী, ৰঙিয়া, বাইহাটা চাৰি আলি অঞ্চলত ফগিং কৰা হৈছে বুলি জিলা মেলেৰিয়া বিষয়া ঋতুপৰ্ণ ৰাজকুমাৰে সাংবাদিকক জানিবলৈ দিয়ে।

*(বাইট ঃ ঋতুপৰ্ণা ৰাজকুমাৰ)*

ইপিনে, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত বৰ্তমান ৩২ গৰাকী এই ৰোগত আক্ৰান্ত ব্যক্তি চিকিৎসাধীন হৈ থকাৰ কথা সদৰী কৰি চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ অচ্যুৎ বৈশ্যই কালি কয়, যে জাপানীজ এনচেফেলাইটিছত আক্ৰান্তসকলৰ ভিতৰত সৰ্বাধিক ৰোগী হৈছে কামৰূপ জিলাৰ।

0000000

শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈল ক্ষেত্ৰৰ ভটিয়াপাৰৰ ১৪৭ নম্বৰ তৈল খাদটোৰ গেছ নিৰ্গমনৰ বিভীষিকাময় পৰিস্থিতিৰ অন্ত পৰাত অঞ্চলটোৰ ৰাইজে স্বস্তিৰ নিশ্বাস পেলাইছে। অ' এন জি চিৰ সংকট ব্যৱস্থাপনা দলে আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞৰ সহায়ত তৈলখাদটো কালি স্থায়ীভাৱে বন্ধ কৰিবলৈ সমৰ্থ হয়। যোৱা ১২ জুনৰ দুপৰীয়া বিস্ফোৰণ ঘটা তৈলখাদটোৰ পৰা বিগত ১৬ দিন প্ৰচণ্ড গতিৰে প্ৰাকৃতিক গেছ নিৰ্গমন হৈ আছিল। এই সময়ছোৱাত অঞ্চলটোৰ কেইবাশ লোকে নিজৰ ঘৰ-সম্পত্তি এৰি শিবিৰত আশ্ৰয় গ্ৰহণ কৰি আছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজেই ঘটনাস্থলীত উপস্থিত হৈ এই ঘটনাৰ তদাৰক কৰিছিল। সাংসদ

গৌৰৱ গগৈয়ে ঘটনাস্থলী পৰিদৰ্শন কৰি পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰীলৈ স্মাৰক পত্ৰও প্ৰেৰণ কৰিছিল। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি সামাজিক মাধ্যমৰ এটা বাৰ্তাত গেছ নিৰ্গমন বন্ধ হোৱা বুলি আনুষ্ঠানিকভাৱে ঘোষণা কৰে। অ' এন জি চিৰ দিল্লীৰ কাৰ্যালয়েও এটা বিবৃতিত ১৪৭ নম্বৰ তেলখাদটোৰ গেছ নিৰ্গমন বন্ধ কৰাটো বৃহৎ সফলতা বুলি উল্লেখ কৰে। ইপিনে, এই তেলখাদটো স্থায়ীভাৱে বন্ধ কৰাৰ ফলত অসম তথা ভাৰত চৰকাৰে বহু পৰিমাণৰ ৰাজহ হেৰুৱাব লাগিব বুলিও সচেতন মহলে উদ্বেগ প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে বিগত এসপ্তাহ ধৰি প্ৰতিকূল পৰিস্থিতিকো নেওচি আমেৰিকাৰ বিশেষজ্ঞ দলৰ নেতৃত্বত খাদটোৰ গেছ নিৰ্গমন ৰোধ কৰি সম্পূৰ্ণৰূপে বন্ধ কৰাৰ প্ৰচেষ্টা চলাই থকা হৈছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সফলতাৰ বাবে অ' এন জি চি আৰু প্ৰশাসনৰ প্ৰচেষ্টাৰ শলাগ লয়। তেওঁ বিশেষকৈ বিগত দিনকেইটাত অপৰিসীম ধৈৰ্য্য আৰু বিশ্বাসেৰে সংশ্লিষ্ট সংস্থাৰ সৈতে সহযোগিতা আগবঢ়োৱাৰ বাবে ক্ষতিগ্ৰস্ত অঞ্চলটোৰ জনসাধাৰণৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে।

0000000

ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে ২০২৫-২৬ নতুন শিক্ষাবৰ্ষত সকলো বিদ্যালয়ৰ বাবে প্ৰযোজ্য হোৱাকৈ কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি প্ৰতিগৰাকী শিক্ষকে পুৱা ৯ বজাৰ পূৰ্বে বিদ্যালয়ত উপস্থিত হ'ব লাগিব। শিক্ষকসকলে শৈক্ষিক দিনপঞ্জীত নিৰ্ধাৰণ কৰা সময় অনুসৰিহে বিদ্যালয় এৰিব পাৰিব। বিদ্যালয়ত প্ৰৱেশ আৰু প্ৰস্থানৰ সময় শিক্ষাসেঁতু এপত অন্তৰ্ভুক্ত কৰিব লাগিব। প্ৰতিগৰাকী শিক্ষাৰ্থীৰ উপস্থিতিৰ তথ্য লোৱাৰ বাবে শ্ৰেণী শিক্ষক দায়বদ্ধ হ'ব। তদুপৰি সকলো স্নাতকোত্তৰ শিক্ষকে হাইস্কুল পৰ্যায়তো শিক্ষাদান কৰিব লাগিব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে। একেদৰে বিদ্যালয়ৰ অন্যান্য কৰ্মচাৰীসকলেও দিনৰ ১০ বজাৰ পূৰ্বে বিদ্যালয়ত উপস্থিত হ'ব লাগিব আৰু বিয়লি চাৰে ৪ বজালৈ বিদ্যালয়ত থাকিব লাগিব বুলি নিৰ্দেশনাটোত কোৱা হৈছে।

0000000

কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ সোঁৱৰণত আজি আকাশবাণী গুৱাহাটীৰ ৰিক্ৰিয়েচন ক্লাবৰ উদ্যোগত আৰু ইনলি ফাউণ্ডেচনৰ সহযোগত **সুৰৰে দেউলৰে** শীৰ্ষক এটি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উদ্দেশ্যে আজি পুৱা ১০ বজাৰ পৰা চানমাৰিৰ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদত থকা ৰিক্ৰিয়েচন ক্লাবত অমৰেন্দ্ৰ শৰ্মা, দিপক কুমাৰ দাস আৰু ছাদিক আনাম ৰহমানৰ তত্বাৱধানত প্ৰথমৰ পৰা পঞ্চম আৰু ষষ্ঠৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত দুটি শাখাত বিষ্ণু প্ৰসাদ ৰাভাদেৱৰ সৈতে সংগতি থকা ছবি অংকনৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাত চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত হ'বলগীয়া সুৰৰে দেউলৰে শীৰ্ষক অনুষ্ঠানটিত বিশিষ্ট সংগীত শিল্পী লোকনাথ গোস্বামীয়ে বিষ্ণু প্ৰসাদ ৰাভাৰ জীৱন আৰু সৃষ্টিৰাজী সন্দৰ্ভত আলোকপাত কৰিব। চাৰে ছয় বজাত সৃষ্টিৰ ৰণুৱা ঘোঁৰা ঃ বিষ্ণু প্ৰসাদ ৰাভা শীৰ্ষক এখনি আলেখ্য পৰিৱেশন কৰা হ'ব। ৰবিন চন্দ্ৰ বড়োৰ সামগ্ৰিক পৰিকল্পনা, নয়ন প্ৰসাদৰ ব্যৱস্থাপনাত হ'বলগীয়া গীত, নৃত্য, কবিতাৰ এই অন্তৰংগ সাংস্কৃতিক অনুষ্ঠানলৈ ইনলি ফাউণ্ডেচনৰ সাধাৰণ সম্পাদক ইন্দ্ৰজিত দাসে সকলোকে আমন্ত্ৰণ জনাইছে।

0000000

নটিংহামৰ ট্ৰেণ্ট ব্ৰিজত আজি ভাৰত আৰু ইংলেণ্ডৰ মাজত মহিলাৰ পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলা আৰম্ভ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া সাত বজাত আৰম্ভ হ'ব।

২০২৩ চনৰ ডিচেম্বৰৰ পাছত প্ৰথমবাৰৰ বাবে ২০ অভাৰৰ খেলত দুয়োটা দল মুখামুখি হ'ব। ২০২৬ চনৰ মহিলা বিশ্বকাপৰ পূৰ্বে এই পাঁচখনীয়া শৃংখলা অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব।

০০০০০০০

NEWS PAPER REV.

বাংলাদেশৰ পৰা নতুনকৈ হোৱা অনুপ্ৰৱেশ ৰোধ কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। কালি অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ সিদ্ধান্ত মতে এতিয়াৰে পৰা জিলা আয়ুক্তইহে প্ৰাপ্তবয়স্ক লোকক আধাৰ কাৰ্ড দিব পাৰিব। মুখ্যমন্ত্ৰী ড হিমন্ত বিশ্ব শৰ্মাই সংবাদমেল যোগে এই কথা প্ৰকাশ কৰিছে। নিয়মীয়া বাৰ্তা আৰু দ্য চেন্টিনেল কাকতে এই বাতৰিক প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে বসুন্ধৰা ৩ দশমিক ০ অধীনত ৰাজ্যৰ ১২ জিলাত এহেজাৰ ৯৭৭ টা বেচৰকাৰী শৈক্ষিক, ধৰ্মীয় আৰু সামাজিক সাংস্কৃতিক প্ৰতিষ্ঠানলৈ চৰকাৰী ভূমি আবন্টণত ৰাজ্যিক কেবিনেটে অনুমোদন জনোৱাৰ কথাও প্ৰকাশ কৰিছে। এয়া আমাৰ অসম কাকত আৰু দি আছাম ট্ৰিবিউন কাকতৰ প্ৰথম পৃষ্ঠাৰ বাতৰি।

কালিৰে পৰা সমগ্ৰ দেশজুৰি ৰথযাত্ৰা আৰম্ভ হৈছে। উৰিষ্যাৰ পুৰীত ৰথযাত্ৰাত হোৱা ঠেলা-হেঁচাত পদপিষ্ট হৈ ৫৮১ গৰাকী লোক আহত হোৱাৰ বাতৰিটো অসমীয়া প্ৰতিদিন আৰু দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত বিশেষ গুৰুত্ব দিছে।

বিগত ৪ দিনত দেশৰ শ্বেয়াৰ বজাৰত বিনিয়োগকাৰীসকলে ১২ লাখ কোটি টকা আয় কৰিবলৈ সমৰ্থ হৈছে। কালিৰ দিনটোত ষ্টক এক্সচেঞ্জ বন্ধ হোৱালৈ ছেনচেক্স ৮৪ হাজাৰ ৫৮ দশমিক ৯-০ হোৱাৰ বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে মাজুলীত উৎপাদিত জৈৱিক ৰঙা বাওধান বিশ্ব বজাৰলৈ কালি মধ্য এচিয়া আৰু ইউৰোপৰ বিভিন্ন দেশলৈ ৰপ্তানি কৰাৰ বাতৰিটোক প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে।

চীনৰ দক্ষিণ-পশ্চিম অঞ্চলৰ গুইঝো প্ৰদেশত বানে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। এই বানত ছজন লোকৰ মৃত্যু হোৱাৰ লগতে ৮০ হাজাৰৰো অধিক লোক গৃহহীন হৈছে। এই বাতৰিটোক দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত শীৰ্ষস্থান দিছে।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**